# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-NOV-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। মৰিগাঁৱৰ মিকিৰভেটাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৫০ খন বিছনাযুক্ত আয়ুষ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন। ৩৬ হাজাৰ ৩৬৭ গৰাকী হিতাধিকাৰীক মহিলা উদ্যমিতা অভিযানৰ চেক প্ৰদান।

২। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীয়ে এছ্ আই টিক তিনিটা গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰা বুলি তদন্তকাৰী বিষয়া মুন্নাপ্ৰসাদ গুপ্তাৰ প্ৰকাশ।

৩। বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াক অসম সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান **সদসি ৰৰণ্যেঃ** প্ৰদান।

৪। অসম-অৰুণাচল প্ৰদেশৰ মাজত শান্তি-সম্প্ৰীতিৰ পৰিৱেশ সুদৃঢ় কৰাৰ বাবে ধেমাজি জিলা প্ৰশাসন আৰু নামনি চিয়াং জিলা প্ৰশাসনৰ সহযোগত আজি চিলাপথাৰত সীমান্ত সমন্বয় সমাৰোহ। *আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমটো খিতাপ অৰ্জনৰ যুঁজত কাইলৈ ভাৰতৰ প্ৰতিদ্বন্দ্বী দক্ষিণ আফ্ৰিকা।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ মিকিৰভেটাত এখন ৫০ খন বিচনাযুক্ত আয়ুষ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰাৰ লগতে মহিলা উদ্যমিতা অভিযানৰ অধীনত মৰিগাঁও সমষ্টিৰ হিতাধিকাৰীসকলক চেক বিতৰণৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত ৩৬ হাজাৰ ৩৬৭ গৰাকী হিতাধিকাৰীলৈ ১০ হাজাৰ টকাকৈ উদ্যমিতাপুঁজিৰ প্ৰথম কিস্তিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। এই হিতাধিকাৰীসকলৰ ৩২ হাজাৰ ৯৫১ গৰাকী গ্ৰাম্যাঞ্চলৰ আৰু তিনি হাজাৰ ৪২৬ গৰাকী নগৰাঞ্চলৰ। মুখ্যমন্ত্ৰীয়ে আজি মৰিগাঁৱত প্ৰায় ১৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া আৰ্ৰ্তভৱনৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে, চিকিৎসা বিজ্ঞাপন পৰম্পৰাগত ব্যৱস্থাৰ সম্প্ৰসাৰণৰ লগতে ৰাইজক বিকল্প স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ বাবে আয়ুষ চিকিৎসালয়খন ১৫ কোটি টকা ব্যয় সাপেক্ষে ১৫ বিঘা ভূমিত নিৰ্মাণ কৰা হ'ব। আজি চেক বিতৰণ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুবছৰ পূৰ্বে যোৰহাটলৈ অহাৰ সময়ত দেশৰ তিনি কোটি মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ বিষয়ে প্ৰকাশ কৰিছিল। এই অনুসৰি ৰাজ্য চৰকাৰে ৰাজ্য চৰকাৰে অসমৰ আত্মসহায়ক গোটসমূহৰ লগত জড়িত ৩০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়াৰ সংকল্প লৈছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**(বাইট ঃ চি এম)**

তেওঁ কয়, যে উদ্যমিতা পুঁজি হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ কিস্তিৰ প্ৰথম ধন মহিলাসকলে নিজৰ আত্মসহায়ক গোটত জমা কৰিলে এক লাখ টকাৰ পুঁজি গঠন হ'ব। এই পুজিৰে তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰিব। ৰাজ্য চৰকাৰে মহিলাসকলৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ লক্ষ্যৰে বহু বিবাহ ৰোধ কৰিবলৈ বিধানসভাত কঠোৰ আইন প্ৰণয়নৰ দিশত অগ্ৰসৰ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অহা ২৫ নৱেম্বৰৰ পৰা হ'বলগীয়া বিধানসভাৰ অধিৱেশনত এই সন্দৰ্ভত বিধেয়ক উত্থাপন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

তদুপৰি বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ ফলত বাল্য বিবাহ প্ৰায় বন্ধ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মৰিগাঁও সমষ্টিত এতিয়াও অৰুণোদয় সুবিধা লাভ নকৰা যোগ্য পৰিয়ালসমূহক সামৰি লোৱাৰ বাবে অতিৰিক্ত চাৰি হাজাৰটা পৰিয়াললৈ অৰুণোদয়ৰ সুবিধা আগবঢ়োৱা হ'ব বুলি তেওঁ এই সভাতে ঘোষণা কৰে। অনুষ্ঠানত মন্ত্ৰী পীযূষ হাজৰিকা, কৌশিক ৰায়, বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু ঘটনাৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা তিনিটা গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিছে। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ অধীনত বিশেষ তদন্তকাৰী গোটে ছিংগাপুৰ আৰক্ষীৰ পৰা কিছু তথ্য বিচাৰিছিল। ইয়াৰ ভিত্তিতে ছিংগাপুৰ আৰক্ষীয়ে বিশেষ তদন্তকাৰী গোটক এই তথ্য যোগান ধৰিছে। ছিংগাপুৰৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সন্দৰ্ভত চূড়ান্ত মতামত আগবঢ়োৱা বুলিও এছ আই টিৰ মুৰব্বীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ছিংগাপুৰ বন্দৰ আৰু সামুদ্ৰিক কৰ্তৃপক্ষৰ পৰাও বিশেষ তদন্তকাৰী গোটে নথি লাভ কৰিছে। ইয়াৰ জৰিয়তে তদন্ত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহায় হ'ব বুলিও তেওঁ উল্লেখ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত সাক্ষ্য প্ৰদানৰ বাবে এইপৰ্যন্ত চি আই ডি কাৰ্যালয়লৈ শতাধিক লোকক মতা হৈছে বুলি তেওঁ কয়। তদন্ত প্ৰক্ৰিয়া সময়মতে সম্পূৰ্ণ কৰি বিশেষ তদন্তকাৰী গোটে অতি সোনকালে আদালতত প্ৰতিবেদন দাখিল কৰিব বুলিও শ্ৰীগুপ্তাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

**বাইট (মুন্নাপ্ৰসাদ গুপ্তা)**

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১০ ডিচেম্বৰৰ ভিতৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ অভিযোগনামা এছ আই টিয়ে দাখিল কৰিব বুলি আজি মৰিগাঁৱত প্ৰকাশ কৰিছে। ইতিমধ্যে এছ আই টিয়ে তদন্তত বহু বিস্ফোৰক তথ্য লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে তদন্তৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ পাছত জুবিন গাৰ্গৰ সৈতে বহু বছৰ ধৰি হৈ থকা দুখ আৰু বেদনাভৰা কাহিনী ৰাইজে জানিব পাৰিব। শিল্পীগৰাকীক ন্যায় প্ৰদানৰ বাবে মুখ্যমন্ত্ৰীগৰাকীৰ লগতে এছ আই টিৰ সদস্য আৰু আৰক্ষীয়ে দিনে-নিশাই কাম কৰি থকা বুলিও তেওঁ কয়। একাংশই জুবিন গাৰ্গৰ মৃত্যুক লৈ ৰাজনীতি কৰি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এপ্ৰিলৰ পাছত জুবিনৰ ভুৱা অনুৰাগীসকল নোহোৱা হৈ পৰিব।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ দীঘলীপুখুৰীৰ ৰাজ্যিক যুদ্ধ স্মাৰকত আয়োজিত অমৰ ছহিদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশ লৈ ৰাজ্যপালগৰাকীয়ে দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াক আজি অসম সাহিত্য সভাৰ **সদসি ৱৰণ্যেঃ** সন্মান প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ পৌৰহিত্যত আয়োজিত এটা অনুষ্ঠানত ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ ৰামেশ্বৰ লাল চহৰীয়া সংহতি ভৱনত বিশিষ্ট সাহিত্যিকগৰাকীক অসম সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আঁত ধৰা অনুষ্ঠানটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ কমল বৰা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱা, সতিসাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জি সিংহানীয়াকে ধৰি বিভিন্নজনে অংশগ্ৰহণ কৰে।

০০০০০

অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত শান্তি-সম্প্ৰীতিৰ পৰিৱেশ সুদৃঢ় কৰি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে অসম চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ উদ্যোগত ধেমাজি জিলা প্ৰশাসন আৰু প্ৰতিবেশী ৰাজ্যখনৰ নামনি চিয়াং জিলা প্ৰশাসনৰ সহযোগত সীমান্ত সমন্বয় সমাৰোহ আজি অনুষ্ঠিত হয়। ধেমাজি জিলাৰ চিলাপথাৰত আয়োজিত এই সমাৰোহত অংশ লৈ মন্ত্ৰী অতুল বৰাই কয়, যে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সদিচ্ছা আৰু একান্ত আগ্ৰহৰ বাবে এই সমাৰোহৰ আয়োজন কৰা হৈছে। ইতিমধ্যে প্ৰতিবেশী ৰাজ্য দুখনৰ মাজত সীমা সমস্যা সমাধানৰ পথ প্ৰশস্ত হৈছে আৰু সীমান্তবৰ্তী অঞ্চলসমূহত শান্তি-সম্প্ৰীতিৰ নতুন বাতাবৰণৰ সৃষ্টি হৈছে বুলি তেওঁ উল্লেখ কৰে। আজি এই সমাৰোহৰ জৰিয়তে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া এলেকাত উন্নয়ন আৰু ব্যৱসায় বাণিজ্য ত্বৰান্বিত কৰাৰ লগতে সীমান্তৱৰ্তী এলেকাৰ পৰ্যটন উদ্যোগক উদগনি যোগোৱাৰে প্ৰয়াস কৰা হৈছে বুলি শ্ৰী বৰাই কয়। দুয়োখন ৰাজ্যৰ শিল্পীয়ে এই সমাৰোহত পৰিৱেশন কৰা পৰম্পৰাগত সাংস্কৃতিক অনুষ্ঠানে ৰাজ্য দুখনৰ মাজত সাংস্কৃতিক সমন্বয় শক্তিশালী কৰি তোলাৰ উপৰি জনগোষ্ঠীয় ঐক্য, সম্প্ৰীতিৰ উন্নয়ন ঘটাব বুলি মন্ত্ৰী শ্ৰীবৰাই আশা প্ৰকাশ কৰে। সমাৰোহত অৰুণাচল প্ৰদেশ বিধানসভাৰ উপাধ্যক্ষ কাৰ্ডো নিগয়ৰে ভাষণ দি অসম আৰু অৰুণাচল সীমা সমস্যা ৮০ শতাংশ সমাধান হোৱা বুলি কয়। আজিৰ অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু, অৰুণাচল প্ৰদেশ বিধানসভাৰ উপাধ্যক্ষ কাৰ্ডো নিগয়ৰ, সাংসদ প্ৰদান বৰুৱা, অৰুণাচল প্ৰদেশৰ বিধায়ক তজিৰ কাডুৰ উপৰি ধেমাজি আৰু নামনি চিয়াং জিলাৰ আয়ুক্ত আৰক্ষী অধীক্ষক তথা বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। নামঘৰ, মন্দিৰ আদিত সন্ধিয়া স্থানীয় বয়োজ্যেষ্ঠ লোক, যুৱক-যুৱতীসকলে ৰাসৰ আখৰা চলাই আছে।

মাজুলীৰ বিভিন্ন স্থানত অহা ৪ নৱেম্বৰৰ পৰা ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। আউনীআটী সত্ৰত অহা ৬ নৱেম্বৰত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। জিলাখনৰ সত্ৰসমূহৰ লগতে বিভিন্ন স্থানত এইবাৰ মুঠ ৬৫ খন ৰাস অনুষ্ঠিত হ'ব। বহুকেইটা মঞ্চত শিশু ৰাস, মিছিং ভাষাৰ ৰাস, মহিলা শিল্পীৰ দ্বাৰা ৰাস পৰিবেশন কৰা হ'ব। যোৰহাট জিলাৰ ঢেকীয়াজুলি, বামুণপুখুৰী, শিৱসাগৰ জিলাৰ হাফলুটিং, খনামুখ আদি অঞ্চলত ৰাসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। লখিমপুৰ, ধেমাজি জিলাৰ বিভিন্ন স্থানতো ৰাস উৎসৱৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে।

নলবাৰী হৰিমন্দিৰ আৰু দামোদৰ ধামসত্ৰ, পাঠশালা, বজালী, টিহু, পাটাছাৰকুছি, শুৱালকুছি, মিৰ্জা, পলাশবাৰী, তামুলপুৰ, বাক্সা, সৰুক্ষেত্ৰী, হাউলী, গুৱাহাটীৰ জাপৰিগোগ, নবীন নগৰ আদি অঞ্চলত ৰাস মহোৎসৱ পালন কৰাৰ বাবে প্ৰস্তুতি চলিছে। নগাঁও আৰু মৰিগাঁও জিলাৰ বিভিন্ন স্থানতো ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

অসম মন্ত্ৰীসভাই ইতিমধ্যে ৰাজ্যৰ ২ হাজাৰ ১৩৫ খন ৰাস সমিতিক এককালীন আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি মাজুলীৰ ৬৭ খন ৰাস সমিতিক ৫০ হাজাৰ টকাকৈ আৰু ৰাজ্যৰ আন আন প্ৰান্তৰ ২ হাজাৰ ৬৮ খন ৰাস সমিতিক ২৫ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হ'ব। চৰকাৰে ৰাস সমিতিসমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাত ৰাস সমিতিসমূহে সন্তোষ প্ৰকাশ কৰিছে।

০০০০০

মৰিগাঁও জিলাৰ চৰাইবাহীৰ ১৬৮ বছৰীয়া ঐতিহাসিক ত্ৰিবাৰ্ষিক ভাওনা মহোৎসৱত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে নাথ মন্দিৰ প্ৰাংগণত আয়োজিত মুকলি সভাত অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অংকীয়া নাট ভাওনাক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ শক্তিশালী মাধ্যম বুলি মত প্ৰকাশ কৰে। তেওঁ চৰাইবাহীৰ ৰাইজে গুৰুজনাৰ সৃষ্টিৰাজী নতুন প্ৰজন্মৰ মাজত সজীৱ কৰি ৰাখিবলৈ কৰা প্ৰয়াসৰ শলাগ লয়। এই ভাওনাই আৰম্ভণিৰে পৰাই একতা আৰু সংহতিৰ বাৰ্তা প্ৰেৰণ কৰি

আহিছে বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা, কৌশিক ৰায়, বিধায়ক ৰমাকান্ত দেউৰী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সংগীত শিল্পী ছৈয়দ ছাদুল্লাৰ ডিব্ৰুগড়ৰ নালীয়াপুলৰ বাসগৃহত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। দুয়োগৰাকীয়ে শিল্পী ছৈয়দ ছাদুল্লাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে মত বিনিময় কৰে। একেদৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও শিল্পীগৰাকীৰ বাসগৃহৰ উপস্থিত হৈ তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰে। সাংসদ গগৈয়ে প্ৰয়াত শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, ঘোষক, গীতিকাৰ, সুৰকাৰগৰাকীৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হৈছিল।

০০০০০

বীৰ লাচিত সেনা নামৰ সংগঠনটোৰ কামৰূপ মহানগৰ জিলা মুখ্য সচিব বিকাশ অসমক আজি দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধন দাবী, অপহৰণকে ধৰি কেইবাটাও গোচৰত অভিযুক্ত হৈ কেইবাদিনো ধৰি পলাই থকা বিকাশ অসমে আজি আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰাৰ পাছত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে আৰক্ষীয়ে ইতিমধ্যে ব্যৱসায়ীক ধন দাবী আৰু অপহৰণৰ গোচৰত বীৰ লাচিত সেনাৰ ১১ জন সদস্যক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি আজিৰে পৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত লখিমপুৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। লখিমপুৰ কমাৰ্চ কলেজৰ ক্ৰীড়া চৌহদত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে ১০ দিনীয়া গ্ৰন্থমেলাখন আজি উদ্বোধন কৰা হয়। আজি বিয়লি জুবিন গাৰ্গ সোঁৱৰণী অস্থায়ী প্ৰেক্ষাগৃহত শিক্ষা মন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগু ৱে গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে গ্ৰন্থৰ জৰিয়তে জ্ঞান আৰু প্ৰজ্ঞাৰ অধিকাৰী হ'ব পাৰি বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে ভাষাৰ উচ্চাৰণ আৰু লিখাৰ ক্ষেত্ৰত সাৱধান হ'বলৈ সকলোকে আহ্বান জনায়। তেওঁ কয়, যে শৰীৰটোক সুস্থ কৰি ৰাখিবলৈ যিদৰে ব্যায়ামৰ প্ৰয়োজন তেনেদৰে সুস্থ মানসিক বিকাশৰ বাবে গ্ৰন্থ অধ্যয়ন নিতান্তই প্ৰয়োজনীয়। অনুষ্ঠানত অংশ লৈ পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষালে সভ্যতাৰ মাপকাঠি হিচাপে গ্ৰন্থই জ্ঞানৰ দিগদৰ্শন কৰে বুলি মন্তব্য কৰে। অনুষ্ঠানত অংশ লৈ লখিমপুৰৰ বিধায়ক মানৱ ডেকাই এই গ্ৰন্থমেলাৰ আয়োজনে লখিমপুৰবাসীক উপকৃত কৰিব বুলি মত প্ৰকাশ কৰে। মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ অৰূপজ্যোতি চৌধুৰীয়ে শিশুৰ মনত গ্ৰন্থৰ প্ৰতি আগ্ৰহ জন্মাবলৈ অভিভাৱক আৰু শিক্ষক সমাজক আহ্বান জনায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ বিভাষ চৌধুৰীয়ে এই অনুষ্ঠানত অংশ লৈ অসমত গ্ৰন্থ আন্দোলনে নতুন ৰূপত প্ৰাণ পাইছে বুলি উল্লেখ কৰে। আজিৰ উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমটো খিতাপ অৰ্জনৰ বাবে কাইলৈ ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্প'ৰ্টছ একাডেমীৰ খেলপথাৰত বিয়লি ৩ বজাত আৰম্ভ হ'ব। ভাৰতে যোৱা বৃহস্পতিবাৰে দ্বিতীয়খন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ১২৫ ৰানত জয় লাভ কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ  গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ কালি প্ৰদান কৰা হয়। অনুষ্ঠানত নিষ্ঠা বৰগোহাঁইক প্ৰথম, দিব্যা আত্ৰেয়ক দ্বিতীয়, অন্বেষা ফুকন আৰু ৰোহিত গাওঁখোৱাক যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়।

প্ৰতিযোগিতাত বিজয়ীসকলৰ সৈতে অন্তৰংগ আলাপেৰে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। তেওঁলোকৰ সৈতে কথা পাতিছে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ড০ অমিয় মোহন দাসৰ আজি দুপৰীয়া দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৭ বছৰ। হৃদৰোগত আক্ৰান্ত হৈ তেওঁ কিছুদিন চিকিৎসাধীন হৈ আছিল। আকাশবাণী কলিকতা কেন্দ্ৰৰ পৰা প্ৰচাৰিত অসমীয়া অনুষ্ঠানত গীত পৰিৱেশন কৰাৰ উপৰি আকাশবাণী ছিলং গুৱাহাটী কেন্দ্ৰৰ শিল্পী ৰূপে জন্মলগ্নৰে পৰা জড়িত আছিল। ৪০ৰ দশকত তেওঁ গ্ৰামোফোন ৰেকৰ্ডত, বিশেষকৈ আনন্দি ৰাম দাসৰ গীত পৰিৱেশন কৰি শ্ৰোতাসকলৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল।

০০০০০

যোৰহাট নিবাসী সৰ্বৰহী মহিলা বিউটি জামানৰ আজি পুৱা নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৭ বছৰ।

নলবাৰী জিলাৰ কৰ্দৈতোলা নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গিৰিবালা দত্ত মজুমদাৰৰ আজি পুৱা নিজ বাসগৃহত দেহাসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ।

০০০০০

সমাপ্ত